# কোনে জানে জীৱনৰ সঠিক খবৰ

মিণ্টু দাস

**Kune jane Jiwanor Khathik Khabor :** *A self compose Assamese Modern poem by* ***Mintu Das*** *and Published by Junmoni Das, Dhemaji and Printed at Kasturi Printers and publishers, Guwahati-781007* **First Edition : January, 2014,** ***Rs. 60/- Only***

| | |
|---|---|
| প্ৰকাশক | ঃ জোনমণি দাস, ধেমাজি |
| | ভ্ৰাম্যভাষ ঃ ৯৮৬৪০৫৫৫৪০ |
| গ্ৰন্থস্বত্ব | ঃ লেখক |
| প্ৰথম প্ৰকাশ | ঃ জানুৱাৰী, ২০১৪ |
| বেটুপাত | ঃ সূৰ্য বৰুৱা |
| স্কেচ্ছ | ঃ হোমেন শইকীয়া |
| মূল্য | ঃ ষাঠি টকা |
| বৰ্ণ গ্ৰন্থণ | ঃ এম. ডি. কম্পিটাৰছ, ধেমাজি |
| মুদ্ৰক | ঃ কস্তুৰী প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিৰ্ছাচ, লাচিত নগৰ পথ, |
| | সৈনিক ভৱনৰ সমীপত, গুৱাহাটী-৭৮১০০৭ |

# উচৰ্গা

যাৰ বাবে
এই পৃথিৱীখন দেখিবলৈ পালো
আৰু
যি কপালৰ ঘাম মাটিত পেলাই
অশেষ কষ্ট কৰি সমাজৰ স'তে
খোজত খোজ মিলাই যাব পৰাকৈ মোক
সাহস আৰু প্ৰেৰণা দিলে,
তেওঁলোক
মোৰ পূজনীয় দেউতা শ্ৰী পৱন দাস আৰু
পূজনীয়া মা শ্ৰীমতী ৰেণু দাসৰ
হাতত
মোৰ এই কাব্যগ্ৰন্থখনি
উচৰ্গা কৰিলো।

-লেখক

# কৃতজ্ঞতা স্বীকাৰ


মোৰ এই কাব্যগ্ৰন্থখনি
প্ৰকাশৰ দিহা কৰা সময়ত মোক বিশেষভাৱে সহায় আগবঢ়োৱা
আৰু সততে কবিতা লিখিবলৈ উৎসাহ যোগাই থকা
ৰুদ্ৰ সিংহ মটক, নবীন বুঢ়াগোঁহাঞি, বিপুল শৰ্মা, অৱনী বৰুৱা,
নিবেদিতা বড়া সন্দিকৈ, দেৱজ্যোতি কছাৰী, ড° বসন্ত মংগল দত্ত,
উষা বৰগোঁহাই, নিবেদিতা বড়া সন্দিকৈ, অসীম দত্ত, ভুৱন দাস,
পংখী কাজল, দিগন্ত ডেকা, পলাশ পৰাণ, দূৰ্গাপ্ৰসাদ হাজৰিকা,
ৰাজীৱ দেউৰী, নিৰুপমা বৰা, উৰ্বশী বৰা,
ৰুমী বৰগোহাই, দিপাংকৰ বৰুৱা,
সূৰ্য বৰুৱা, ৰাণা বৰুৱা, ৰাজীৱ দেউৰী,
তৃষ্ণা গগৈ, খালিদা জামান, অনিল নাথ,
আৰু বাইদেউ জোনমণি দাসৰ লগতে,
স্কেচ্ছ আঁকি দিয়া হোমেন শইকীয়া আৰু
কাকত আলোচনীত মোৰ কবিতা পঢ়ি আপ্লুত হৈ মোৰ ন-সৃষ্টিৰ বাবে
উৎসাহ আৰু তাগিদা দিয়া সকলোলৈকে মোৰ ফালৰ পৰা
অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

--লেখক

পাতনি

# মৰ্মৰিত অনুভৱ, মননশীল কবিতা

সুনিৰ্বাচিত শব্দৰ চৌখিন ভাৱোচ্ছাস নহয়, কবিতা আত্মবোধৰ বীজ-বৰ্ণমালা। আত্মবোধৰ স'তে সমাজ মননৰ সংঘাত অনিবাৰ্য। ফলত সূক্ষ্ম, গভীৰ আৰু সংহত হয় কবিৰ অন্তৰ্দৃষ্টি। কবিৰ জীৱনবোধৰ স'তে প্ৰসাৰিত সমাজবীক্ষাৰ মণিকাঞ্চন ঘটে। জাগ্ৰত কবিৰ গতিশীল শিল্পবীক্ষাৰ ছাঁ-জোনাকত ৰূপান্তৰিত হয় কবিতাৰ ফৰ্ম আৰু ভাষা। প্ৰেৰণাদীপ্ত সাধক কবিৰ এনে সাৰ্থক সৃষ্টিৰাজীত আমি সততে অনুভৱ কৰো সময়ৰ সাঁচ, যুগৰ হৃৎস্পন্দন। বিগত তিনি দশকত সংখ্যাত সৰহ নহ'লেও এছাম তৰুণে কবিতাৰ দ পথাৰখনত বিচৰণ কৰি অহাটো আমাৰ পৰিলক্ষিত হয়। আমি আশান্বিত যে মিন্টু দাস সেইসকল কবিৰ মাজৰে এজন। দুকুৰি পাঁচটা কবিতা সন্নিৱিষ্ট 'কোনে জানে জীৱনৰ সঠিক খবৰ' তেওঁৰ প্ৰকাশিত প্ৰথম কাব্যগ্ৰন্থ।

কবিতা তোমাৰ নিষ্পাপ শৰীৰত  
মোৰ নিৰলস পঁয়ালগা শব্দৰ লুকা-ভাকু  
অনুভূতিহীন গান।

(কবিতা)

০০ ০০

সংঘৰ্ষৰ জুইয়ে ডেউকা পোৰা এজাক  
শান্তিৰ কপৌৰ কথা পাতো আহাঁ  
অলপ সময়ৰ বাবে  
য'ত তেজৰ নৈ বয়। মৃত্যু আহে সংগোপনে  
অলেখজনলে'

(নিঃশব্দতাৰ স'তে)

ঘনীভূত অৰ্থনৈতিক সংকট, সামাজিক-ৰাজনৈতিক অস্থিৰতা, হিংসা-হত্যা, ভয়-শংকা-অনিশ্চয়তাই এন্ধাৰৰ আৱৰ্তলৈ ঠেলি দিয়া স্বদেশৰ দুঃখলগা ছবিয়ে আমাৰ সংবেদী কবিজনক উদ্বিগ্ন-ব্যথিত নকৰাকৈ থকা নাই। কবিয়ে তেওঁৰ হৃদয়মথিত ভাৱ-যন্ত্ৰণাক প্ৰতীকী ভাষাৰে সজীৱ আৰু বাংময় কৰি তুলিছে। বাহত ভোকত ছট্‌ফটাই থকা সন্তানৰ বাবে মুখত অলপ খাদ্য লৈ বেগাই উৰি অহা কুমাৰণীজনীয়ে জানো কিবা ইঙ্গিত পাইছিল অচিনাকী পৃথিৱীত মূহুৰ্ততে ঘটিব পৰা নিজৰ কৰুণ দশাৰ কথা!

পাহৰিলে সমুখৰ বাধা  
মকৰাজালৰ এঠা।  
তাইৰ প্ৰেমান্ধ মৰুভূমিত  
অলপমান প্ৰহেলিকা

(বিপন্নতা)

তৃতীয় বিশ্বৰ আৰ্ত-পীড়িত, শোষিত-বঞ্চিত লক্ষজনৰ দুৰ্দশাগ্ৰস্ত জীৱনো যে এই হতভগীয়া কুমাৰণীজনীতকৈ আন একো বেলেগ নহয়,এই ট্ৰেজিক সত্যই আমাৰ বিংশ শতাব্দীৰ বহুৰঙী চৌখিন সভ্যতাৰ মৰ্মমূলতে যেন প্ৰচণ্ড আঘাত হানিছে।

'তোমাৰ দুচকুৰ নীলাত' কবি মিন্টু দাসৰ এটি অনন্য সুন্দৰ প্ৰেমৰ কবিতা। **ৰিল্কেই** নতুন কবিসকলক প্ৰেমৰ কবিতা নিলিখিবলৈ সঁকিয়াই দিছিল। কিয়নো তেওঁৰ শংকা আছিল, তৰাং অন্তৰ্দৃষ্টি আৰু অপৈণত অভিজ্ঞতাৰ ফলত তৰুণ কবিৰ প্ৰেমৰ কবিতা হৈ উঠিব ভাৰিব নোৱাৰাকৈ আবেদনশূন্য, ছন্দহীন আৰু যান্ত্ৰিক। কিন্তু আশাৰ কথা যে আমাৰ তৰুণ কবিয়ে আপোন অভিজ্ঞতা আৰু আত্মবিশ্বাসৰ সেউজীয়া শিপাগুচ্ছত চকু থৈ ৰচনা কৰিলে এনে এটি সুন্দৰ অৰ্থঘন কবিতা, য'ত ঘোষিত হৈছে সঁচা ভালপোৱাৰ প্ৰকৃত বৈভৱ আৰু মহত্ত্ব।

তোমাৰ দুচকুৰ নীলাৰপৰা  
কাঢ়ি আনিব খোজো  
পাঁচ চামুচ ভালপোৱাৰ অমৃত  
বছৰৰ পিছত দশক, দশকৰ পিছত শতিকা  
শতিকাৰ পিছত এটা যুগ  
আৰু এটা যুগৰ পিছত  
যুগান্তৰলৈ  
তোমাৰ হৈ থাকিব পৰাকৈ...।

কবিৰ এই স্তৱকটিত শ্বেক্সপীয়েৰ অনুভূত সেই চিৰন্তন সত্যই অনুৰণিত হৈছে। 'Love is not love that alters/ when it alteration finds.'। আমাৰ নতুন কবিয়ে প্ৰেয়সীৰ চকুৰ নীলাত আঁকিব খোজে এটা

সেউজীয়া নক্ষত্ৰ, যাৰ স্নিগ্ধ পবিত্ৰ পোহৰত মুকলি হয় 'তমসাছন্ন জীৱনৰ বাট।' প্ৰেমে কবিক কাহানিও অস্থিৰ কিম্বা দুৰ্বল কৰা নাই, ই তেওঁক দিছে অদম্য সাহস আৰু সংগ্ৰামী প্ৰেৰণা --

তোমাৰ আকুলতাত জন্ম হ'ব দিয়া
মোৰ কলমৰ আগত
হাজাৰটা সংগ্ৰামী কবিতা...
(তুমি মোৰ বুকুতে শুই পৰা)

মিণ্টু দাস এগৰাকী সম্ভৱনাপূৰ্ণ তৰুণ কবি। তেওঁৰ অন্তৰ্দৃষ্টি যিদৰে প্ৰখৰ, সেইদৰে ঐতিহ্য আৰু বাস্তৱৰ অভিজ্ঞতাও গভীৰ আৰু বৈচিত্ৰময়। পাঁচটা দশকৰ আগৰ অসম তথা ভাৰতৰ দুঃখলগা ছৱিখন যেন স্বাধীনতাৰ পাঁচ-ছয় দশকৰ পিছতো ভাৱিব নোৱাৰাকৈ অপৰিৱৰ্তিত হৈয়ে ৰ'ল। এই কৰুণ, নিষ্ঠুৰ সত্যক কবিয়ে অতিশয় স্পন্দনশীল ভাষাত ফুটাই তুলিছে এই মনোৰম স্তৱকটিত-

দেউতা বহি আছে সৌ তাত
আৰু মই বহি আছো ইয়াত
নাজানো কোনজনে
আগতে হুমুনিয়াহটো কাঢ়ে।
(কবিতা-২)

এই পংক্তিটোৱে যেন আমাক হঠাতে মনত পেলাই দিয়ে প্ৰেম আৰু বিদ্ৰোহৰ কবি শ্বেলীৰ অন্য এক সমভাৱাৰ্থক অনুভৱ,-- 'We look before and after,/ and find for what is not...' হুমুনিয়াহ আৰু বিষাদৰ হেঙুলীয়া সূতাৰে গঁথা যিকোনো সঙ্গীত অথবা কবিতাই অতি সহজতে আমাৰ হৃদয় দোলায়িত কৰে। শ্বেলীয়ে জানো কোৱা নাছিল, --'Our Sweetest songs are those that tell of saddess thought'

আজিৰ ধনতান্ত্ৰিক পৃথিৱীৰ সুবিধাভোগী ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট মুখা পিন্ধা মানুহজাকৰ কৃত্ৰিম ভাৱনা-আচৰণে সংবেদনশীল কবিক পলে পলে চিন্তিত-ব্যথিত কৰি তোলে। 'কৃত্ৰিম মানুহ, কৃত্ৰিম মুখা কৃত্ৰিম মন, কৃত্ৰিম সঁহাৰি, কৃত্ৰিম ভাৱনা।' জীৱনৰ বাটে-হাতে লগ পোৱা ইলিয়টৰ সেই ভিতৰি ভিতৰি মৰি অহা অন্তঃসাৰশূন্য 'hollowman'ৰ বিপৰীতে আমাৰ কবিয়েও বিচাৰে সহৃদয় মানৱৰ এধানি সঁহাৰি আৰু অলপ সঁচা ভালপোৱা।

তোমাৰ বুকুৰ অকৃত্ৰিমতাত অলপ ঠাই দিয়া
মোক
জীয়াই থাকিব পৰাকৈ মইটোৰ দৰে।
(কৃত্ৰিম মানৱ)

দেশৰ নাড়ী-নক্ষত্ৰ, সাহিত্যৰ উজ্বল ঐতিহ্য আৰু ইতিহাসৰ চিৰপ্ৰবাহমান গতিধাৰাৰ স'তে কবিৰ আত্মাৰ সম্পৰ্ক হ'ব লাগিব নিবিড়। কলা বা কবিতা কাহানিও কাল-নিৰপেক্ষ কিম্বা সমাজ নিৰালম্ব হ'ব নোৱাৰে। কবি-হৃদয়ৰ উত্তাপ, কল্পনাৰ ছাঁ-জোনাক আৰু অভিজ্ঞতাৰ নিৰ্যাসতহে গঢ়ি উঠে কবিতাৰ অনিৰ্বচনীয় শিল্পৰূপ, মৰ্মৰিত অনুভৱৰ আশ্চৰ্য-সুন্দৰ তাজমহল। মাথো ভাৱ বা কল্পনা সুন্দৰ হ'লেই নহ'ব, ভাষাৰ সৌন্দৰ্য আৰু নৱনিৰ্মাণো কবিৰ লক্ষ্য হ'ব লাগিব। মিন্টু দাসৰ কিছু কবিতাত আবেগৰ আতিশয্য অনুভূত হয়। দুটিমান কবিতা ভাৱৰ বৈচিত্ৰ আৰু সংহতি ধৰি ৰাখিব নোৱাৰাকৈ বেছি দীঘলীয়া। শব্দবহুলতাই কবিতাৰ ৰক্তপ্ৰবাহ ব্যাহত কৰে, স্তিমিত কৰে ছন্দৰ প্ৰাণশক্তি। লোকজীৱনৰ মুকুতাবুলীয়া উপমা চিত্ৰকল্পৰ নান্দনিক প্ৰয়োগে কাব্যভাষাক নতুন মাত্ৰা আৰু অৰ্থগৰিমা প্ৰদান কৰে। কবিয়ে যেন এই দিশত এতিয়াও মনোনিবেশ কৰা নাই। আনহাতে মিন্টু দাসৰ অধিকাংশ কবিতাৰ আধাৰ প্ৰেম। সমাজ জীৱনৰ আকৰ্ষণীয় ভিন্ন বিষয়বস্তু সামৰি ল'ব নোৱাৰা বাবে তেওঁৰ কবিতা নতুনত্বহীন আৰু একঘেয়ামিৰ দোষদুষ্ট। আমাৰ আশা, অধ্যয়ন-অনুশীলন, সাধনা আৰু অন্তৰৰ ধাউতি থাকিলে মিন্টু দাসে ভৱিষ্যতে ৰূপান্তৰধৰ্মী সাৰ্থক ৰহণীয়া সৃষ্টিৰে অসমীয়া সাহিত্যৰ ভঁড়াল সমৃদ্ধ কৰিব।

**ৰুদ্ৰ সিংহ মটক**
ধেমাজি
ডিচেম্বৰ ,২০১৩

## দুৱাৰদলিতে . . .

"অনুচ্চাৰিত যি বাণীৰ আজি জন্ম-ক্লেশৰ হৰ্ষ
প্ৰবীণ মগধ পাৰ হৈ চুব উদীচী প্ৰাচীৰ মৰ্ম,
তাৰ মৰ্ম-বেদনা বিজ্ঞ অসিতে জানে---
অজ্ঞ অসিতে, মানুহ অসিতে তথাপি কান্দিব আজি।"

(নৰকান্ত বৰুৱা)

কবিতা হ'ল হৃদয়ত উপলব্ধ অনুভৱবোৰৰ শব্দগত বহিঃপ্ৰকাশ। এই অনুভৱৰ কোমলতম অনুভূতিবোৰক ধৰি ৰখাৰ প্ৰয়াস কৰিছিলো জনা বুজা হোৱাৰ পৰাই শব্দ আকাৰে। জীৱন যন্ত্ৰণাৰ কঠোৰ নিষ্পেষণত নিঃসৰিত হোৱা কিছুমান ভাৱৰ সমষ্টিয়েই সজ্জিত হৈছে কবিতাবোৰৰ নিশকতীয়া বেপেৰুৱা জৰাজীৰ্ণ শৰীৰ।

কাব্যগ্ৰন্থখনৰ কিছুমান কবিতাত যৌৱনৰ উন্মুক্ত ভাৱনাই ঠাই পোৱাৰ লগতে সেই কবিতাবোৰৰ মাজেৰে প্ৰকাশৰ চেষ্টা কৰা হৈছে সংঘাতপূৰ্ণ জীৱনৰ অস্থিৰময় ক্ষণৰ দুখৰ এপিটাফ।

মোৰ অপৈণত মস্তিস্কৰ পৰা নিঃসৰিত এই নিৰস শব্দৰ মালাবোৰে পাঠকৰ মনত ভাৱ আৰু চিন্তাৰ ঢৌ তুলিব পাৰিব নে নাই মই সেই বিষয়ে অজ্ঞাত। পাঠকৰ মনত কেতিয়াবা কোনোবা কবিতাৰ পংক্তিয়ে যদি দোলা দিয়ে তেতিয়াই কবিৰ শ্ৰম সাৰ্থক হোৱা বুলি অনুভৱ কৰিম। কবিৰ সৃষ্টিৰ আনন্দও তাতেই অন্তঃনিহিত হৈ থাকে অনন্তকাল।

যোৱা এটা দশকত ৰচিত কবিতাবোৰে বিভিন্ন সময়ত বহুতো কাকত-আলোচনী, স্মৃতিগ্ৰন্থৰ পাতত প্ৰকাশৰ মুখ দেখিছিল ছেগা-চোৰোকাকৈ। তাৰে কিছু কবিতা আৰু শেহতীয়াকৈ ৰচিত কেই টামান কবিতাৰে এই সংকলনটি সজাই তোলা হৈছে।

শেষত কাব্যগ্ৰন্থখনিৰ পাতনি লিখি দিয়া বিশিষ্ট কবি ৰুদ্ৰ সিংহ মটক ছাৰ, বেটুপাতৰ শিল্পী সূৰ্য্য বৰুৱাৰ লগতে প্ৰকাশৰ দায়িত্ব লোৱা ধেমাজিৰ জোনমণি দাসক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

পাঠকৰ আনন্দ আৰু তৃপ্তিতেই লেখকৰ সাধনা সাৰ্থক হয়। সহৃদয় পাঠকবৃন্দই আগ্ৰহেৰে কাব্যগ্ৰন্থখনি আকুৱালি ল'ব বুলি আশা থাকিল।

ধেমাজি
ভ্ৰাম্যভাষ ঃ ৯৯৫৭৮৬৫০৭৩

## সূচীপত্ৰ


বানৰ দেশৰ গান/০১
মৰীচিকা/০২
বিপন্নতা/০৩
আহত সময়/০৪
ৰ'দ মোৰ গান মোৰ প্ৰেম/০৫
তাইৰ বুকুত/০৬
কোনে জানে জীৱনৰ সঠিক খবৰ/০৭
ৰ'দৰ ডাকত চিঠি আহে/০৮
খৰিকাজাঁই/০৯
দুখে চুই যায় সকলোৰে হৃদয়/১০
ৰাতি/১১
নিঃশব্দতাৰ সতে/১২
কিদৰে লিখো এটা দুখৰ কবিতা তাইৰ বাবে/১৩
গতিময়তাত/১৫
কবিতা - ১/১৬
সাহসী মানুহজন/১৭
আশংকা/১৮
তোমাৰ বাবে ৰৈ থাকে শেঁতা জোনটো/২০
কৃত্ৰিম মানৱ/২১
তোমাক ভাল নোপোৱা হ'লে ভাল আছিল/২২
তোমাক ধুনীয়া দেখাইছিল সেইদিনা/২৩
সাম্প্ৰতিক/২৪
এনেকৈয়ে/২৫
নাঙলৰ সিৰলুত দুখৰীয়া আকাশৰ ছবি/২৬
কবিতা - ২/২৭
তেওঁ যোৱা বাটেৰে/২৮
অনুভৱ এটা মিঠা সপোনৰ/৩০
পলৰীয়া সপোন এটাৰ পম খেদি/৩১
পুৰতি তৰাটো অহা বাটেৰে/৩২
তোমাৰ খবৰহীনতাত/৩৩
পথাৰৰ দুখত/৩৫
অব্যক্ত/৩৬
তুমি এবাৰ ভালপাওঁ বুলি ক'লে/৩৭
তোমাৰ দুচকুৰ নীলাত/৩৯
প্ৰগলভ প্ৰাকক্ষণত/৪০
তোমাৰ অনুপস্থিতিত/৪১
তোমাৰ অবুজনত/৪২
অসহজবোৰৰ দৰেই/৪৩
পৰৱৰ্তী সময় হ'ব দুঃসময/৪৪
আকাশৰ হেলনীয়াত অশ্ৰুৰ বাট/৪৫
ভৱিষ্যত/৪৬
হাজাৰ হলেও সি মোৰ নিজৰ/৪৭
অনুভৱী হৃদয়ৰ পাৰত এখন্তেক/৪৮
কৃত্ৰিম মানুহবোৰৰ পৰা অনুগ্ৰহ কৰি আতৰি থাকিব/৪৯
তুমি মোৰ বুকুতে শুই পৰা/৫২

## বানৰ দেশৰ গান


সিহঁতৰ বুকুৰ তেজবোৰ
চুহি খায় এজাক হিংসুক শগুণে
নদীৰ পানীত উটি যায় সিহঁতৰ
ভোকাতুৰ স্বপ্নবোৰ নিৰ্দয়ভাৱে।

ব'ৰাগী নদীৰ ঘাটত আজি কোনে বজাব
দুপৰ নিশা বিষাদৰ বাঁহী
ক'ত গাব আজি ষোড়শী গাভৰুৱে
কাজলী সপোন এটা নিচুকাই নিচুকাই
যৌৱনৰ বিষাদৰ গান।

এতিয়া,

ধ্বংসাৱশেষৰ কৰুণ দৃশ্যত চকুলো টুকি টুকি
তেওঁলোক বহি ৰয়
উন্মুক্ত মথাউৰিৰ নিস্তব্ধতাত।

অনাহাৰে
অনিদ্ৰাৰে।






## মৰীচিকা

তোমাৰ লাহী দেহৰ উলংগ নাভিত
ওলমি ৰয়
সাতামপুৰুষীয়া সপোন এটা।

মই সেই সপোনটোৰ পম খেদি
ঢপলিয়াও আৰু ঢপলিয়াও
দিনৰ পাহাৰ আৰু ৰাতিৰ জুইৰ দৰে
আৰু তুমি অন্তৰ্ধান হোৱা
কালিকালগা ৰজনীত
কোনোবা বেশ্যালয়ৰ বন্ধ কুঠৰীত।



সপোনৰ শেষত অৰ্ধনগ্ন হৈ পৰো মই
ৰূঢ় বাস্তৱৰ কঠিন জৰায়ুত
চটফটাই উঠে মোৰ সুৰুযৰঙী জীৱনে।


সপোনৰ সুযোগ লৈ পুনৰ তুমি আহা
চলনাৰ দুৱাৰ দলি গচকি
মোৰ সতে খেলা কৰিবলৈ

মই উদাত্ত হওঁ
সপোনটোৰ পম খেদিবলৈ।

## বিপন্নতা

কুমাৰণীজনীৰ খোজৰ গতিবেগ
দ্ৰুতৰ পৰা দ্ৰুততৰ হৈ গৈছিল সেই মূহুৰ্তত
তাইৰ মুখত সন্তানৰ বাবে
অলপ খাদ্য আৰু বাসনা সাগৰৰ এচলু আনন্দাশ্ৰু।

পৃথিৱীৰ সকলো বাধাই যেন
নেওচিব তাই
খাদ্যাতুৰ সন্তানৰ কাতৰতাত
প্ৰাণ দিবলৈ তাই যেন উদ্বাউল।




পাহৰিলে সমুখৰ বাধা। মকৰাজালৰ এঠা।
তাইৰ প্ৰেমান্ধ মৰুভূমিত
অলপমান প্ৰহেলিকা।

স্তব্ধ সময়ৰ নিষ্ঠুৰতাত
তাই হাৰিল? শিল হৈ পৰা
তাইৰ অক্ষিযুগলত বেদনাশ্ৰু বিফলতাৰ
ফাগুনৰ পছোৱাত সৰা হালধীয়া পাত।


বিপন্ন সময়ৰ চাকনৈয়াত অপেক্ষাৰত
অচিন পথৰ কোনোবা উন্মনা।
আহিনৰ বৰষুণজাকৰ চেঁচাময়তাত
তিতা একা বেকা কপালৰ
নাতিদীৰ্ঘ অলকা।



## আহত সময়



ফুল আৰু পখিলাই কথা পাতি থাকোতে
বতাহজাকে ৰিঙিয়াই ক'লেহি
সময়ৰ ডেউকাত নৰ পুৰাত
আমিবোৰ আজন্ম প্ৰেমিক পৃথিৱীৰ
যান্ত্ৰিকতাৰ লেলিহান শিখাৰে স্পৰ্শ কৰিব নোৱাৰা
আমি আদিম সভ্যতাৰ মাইলৰ খুঁটি।



পংকিল সময়ৰ হেন্দোলনিত হেৰাল
সিহঁতৰ ফুল আৰু তৰাৰ স্বৰ্ণ নগৰখন
সংঘৰ্ষৰ জুয়ে পুৰিল শান্তিৰ ডেউকা।
আহত আবেলিৰ নিষ্ঠুৰতাত কঁপিল স্তব্ধ সময়।

এতিয়া,

দুৰ নীলিমাৰ কোনোবা অসীম সীমনাৰ পৰা
সিহঁতে চাই থাকে পৰৱৰ্তী সময়ৰ অসুখী পৃথিৱীৰ
প্ৰহেলিকাময় ক্ষণ।

## ৰ'দ মোৰ গান মোৰ প্ৰেম

ৰ'দজাক দুৰ্দান্ত প্ৰেমিকৰ দৰে
গছবনৰ অসমতল বুকুৰেদি
নিৰ্লজভাৱে বগাইছে
এই অনন্ত দুপৰীয়াত যেন
বিষাদ নগৰীৰ শেষহীন কবিতা মোৰ কলমত।

হেঁপেহুৱা সপোন এটাই
উকমুকাই সোঁৰৰণিক সাৰ পোৱালে।
মৃত্যুক সহজভাৱে ল'ব নোৱাৰা
আজন্ম দুখত দুখী হৈ আছো বাবেই আজি
শেষ হৈও নিঃশেষ হ'ব পৰা নাই
আৰু বা কিমান বাকী
অসীমৰ অচিন বাটলৈ।
ৰ'দজাক লুকাইছে লাজতে
মাছৰ বাকলিৰ দৰে ডাৱৰৰ আঁৰত
মনে মনে চেলেকি গৈছে
প্ৰকৃতিৰ ৰূপৰ এক শিল্পমণ্ডিত ইস্তাহাৰ।



কিন্তু দোভাগ নিশা শুভ্ৰ জোনাকত
ভগা জুপুৰিবোৰৰ উচুপনিবোৰ
ৰ'দজাকে নুশুনে।

ৰ'দ মোৰ গান মোৰ প্ৰেম সকলো
মোৰ শিল্পিত ৰূপৰ অন্য এক
ভাৱনা প্ৰেয়সী ৰ'দ।



## তাইৰ বুকুত

চন্দ্ৰকলাৰ দৰে একলা দুকলাকৈ
বাঢ়ি আহে
তাইৰ বুকুৰ দুখবোৰ
যন্ত্ৰণাৰ নিষ্পেষণত নিগৰে নিঃশব্দে
বেদনাশ্ৰু তাইৰ অক্ষিযুগলৰ পৰা।

শব্দৰ খেলত হাৰে তাই
শব্দবোৰ আঁতৰি গৈ
শূণ্যতাৰ সিটো পাৰে ৰৈ থাকে
তাইৰ বাবে এটা পয়াঁলগা আশা হৈ।



কুত এতিয়া
ফাট ৰ'দ।

ৰ হৈ
ন্যতাই পিয়াপি দি ফুৰে
তাৰ সুযোগ লৈ।


## কোনে জানে জীৱনৰ সঠিক খবৰ

কোনে জানে জীৱনৰ সঠিক খবৰ
জোন তৰাৰ গধূলিৰ আন্ধাৰৰ সিপাৰে
শৈশৱৰ সোনোৱালী পথাৰৰ দিকচৌ বাটত
পুৰাতন সাধুকথাৰ দৈত্যৰ দৰে যে
ৰৈ থাকিব দুখ।

জনা নাছিলো
মৰা কলঙৰ পাৰে পাৰে আবেলিত
নিবিড় শব্দ শুনোতে উজাই আহিছিল
কাৰ বাবে লেখা
একা বেকা ৰেখা।

দুখৰি দুখৰি হৃদয় ফলা আখৰবোৰতো
কি যে এক
যোড়শী শব্দৰ মিছিল।
জনা নাছিলো নিৰৱ নদীৰ ঢৌৰ সতে
যে খেলিব অনামিকা আঙুলি।

জনা নাছিলো ইপাৰে জীৱন
সিপাৰে মৃত্যু।






## ৰ'দৰ ডাকত চিঠি আহে



পুৱা কোমল ৰ'দজাকৰ ডাকত
কুঁৱলী ফালি ঈশ্বৰে চিঠি পঠায়।

ৰ'দৰ ডাকত চিঠি আহে
প্ৰতি পুৱা। আলফুলে মেল খাই
সোঁৱৰণিৰ প্ৰতিখিলা পাত।
অস্থিৰতাত কঁপা দেশৰ নিৰ্ভেজাল দলিল।




ৰ'দজাকে কঢ়িয়াই আনে কুশল সংবাদ
ঈশ্বৰে দি পঠাই একাঁজলি নিৰ্মালি
প্ৰকৃতিৰ অসমতল বুকুলে'।

ঈশ্বৰৰ দৈৱদূত ৰ'দজাকে গায়
বসন্তৰ গান, শীতৰ নিয়ৰ সনা সেমেকা ৰাতিৰ নষ্ট গদ্য
আৰু কেঁচা ঘামৰ প্ৰতিবাদী শ্লগান।

ৰ'দজাক প্ৰতিপুৱা আহে
ঈশ্বৰৰ চিঠি কঢ়িয়াই
শান্তিৰ আদিম
যুগমীয়া এটা গান লৈ।

## খৰিকাজাঁই

কোনে জানে
কাৰ স'তে কোনে
বুকুৰ পৰা হ'ল দিন দুপৰতে।
কোনে জানে কাৰ হত্যাৰ বাবে
কোন ৰৈ থাকে হাঁহিমুখে
সেই বাবে মই তোমাক
কোনো কথা দিয়া নাই
এতিয়া যে মোৰ হাতত
কোনো এটা সুদিন নাই।
বুকুতে ফুলি
বুকুতে শুকায়
প্ৰেমৰ খৰিকাজাঁই।






## দুখে চুই যায় সকলোৰে হৃদয়

নিৰ্লিপ্ততাৰ সংপৃক্ত মনটোত যেতিয়া
মৌনতাই গ্ৰাস কৰে
তেতিয়া উত্তপ্ত পানীৰ বুৰবুৰণি উঠাৰ দৰেই
বকবকাই উঠে
দুখবোৰ মোৰ বুকুত।

দুখে চুই যায় সকলোৰে হৃদয়
ৰৌদ্ৰোজ্বল কামনাৰ এটি ভাৱনাত
থিতাপি লয়হি
দুখবোৰে সংগোপনে
দুখবোৰে চুব নিদিয়ে
সাগৰৰ গভীৰতা আৰু নীলিম আকাশ।

দুখে মানুহক জুৰুলা কৰে
দুখে মানুহক হায়ৰাণ কৰে
তথাপিও মানুহে দুখৰ লগত সহবাস কৰে।
সুখ পিয়াসী মানুহজাকে
দুখৰ মোনা কিনি আনে সুখ ভৰাবলৈ।



## ৰাতি

যিজনে ৰাতি কমকৈ শুৱে
তেওঁ ৰাতিটোক ভালদৰে বুজে।
কিদৰে যে ঘন আন্ধাৰৰ ফাঁকে ফাঁকে
মুক্তভাৱে বিচৰণ কৰে
বুকুৰ নিসিদ্ধ দুখবোৰে।


যিজনে ৰাতিটোক ভালদৰে জানে
তেওঁ ৰাতিটোলৈ ভয় কৰে
ৰাতিটোৱে বহুত লৈ যায়
বহুত দি যায় বহুতৰ পৰা।
ৰাতিটোৱে কঢ়িয়াই আনে
নিৰ্জন ৰাতিৰ বেদনাৰঙীণ ভগ্ন সপোন।

ৰাতিৰ দ্বিতীয় প্ৰহৰত যিজনক
নীলিমৰ শেঁতা জোনে
ৰিঙিয়াই মাতে
তেওঁ হৃদয়ংগম কৰে
ৰাতিপুৱা প্ৰসৱ হ'বলগা হয়
কোমল সুৰুযৰ জন্ম যন্ত্ৰণাৰ কথা
ভালদৰে।





## নিঃশব্দতাৰ সতে



আজি আমি অলপ কথা পাতো আহা
দেশ আৰু মানুহ মাটিৰ
য'ত চকুলো নিগৰে
চৰুৰ তলৰ জুই নজ্বলে
জ্বলে চিতা বুকুৰ আপোনজনৰ।

আজি আমি অলপ কথা পাতো আহা
শোষিত জনতাৰ
ভোক আৰু যন্ত্ৰণাৰ বিষয়ে
য'ত শৰতৰ ৰাতি নুফুলে শেৱালি।
অনিদ্ৰাত ভস্ম হয় যৌৱনৰ সাতোৰঙী সপোন
ক'তজনৰ।

সংঘৰ্ষৰ জুয়ে ডেউকা পোৰা এজাক
শান্তিৰ কপৌৰ কথা পাতো আহা
অলপ সময়ৰ বাবে
য'ত তেজৰ নৈ বয়। মৃত্যু আহে সংগোপনে
অলেখজনলে।

তোমাৰ মোৰ বাৰ্তালাপত জন্ম হওক
হাজাৰটা সংগ্ৰামী সংলাপ
বুকু ভঙা বিলাপ। প্ৰতিবাদৰ কণ্ঠস্বৰ।

## কিদৰে লিখো এটা দুখৰ কবিতা তাইৰ বাবে

দুখ ভালপোৱা ছোৱালীজনীক
দুখৰ এটা কবিতা উপহাৰ লাগে
নিদিয়াৰ বাবে তাইৰ
সদায়ে অভিযোগ। প্ৰাতঃ পুৱা। বকুলৰ সন্ধিয়া।

তাই কয় কবিতাটোত থাকিব লাগিব
ভগ্ন হৃদয়ৰ করুণ বিননিৰ সতে
জনতাৰ শোষণ আৰু নিষ্পেষণৰ গভীৰ তান
পঁয়ালগা সপোনৰ অনৰ্থক প্ৰাপ্তিৰ স্নান।

এটা দুখৰ কবিতাৰ বাবে তাই মোক
সদায়ে আমনি কৰে।
তাই কয় যি কবিতাই পেলাব পাৰে হৃদয় শাঁত।
দিব পাৰে অকৃত্ৰিম সুখৰ মায়া।
যিটো কবিতাৰ পৰা বাঢ়ি নাযাওক
অজান দুখৰ বুকুৰ অসুখ
যিটো কবিতাৰ পৰা সূচনা হওক সংগ্ৰামৰ অন্য এক অধ্যায়

তেনে এটা কবিতাৰ বাবে তাই আগ্ৰহেৰে বৈ থাকে
শুক্ল পক্ষৰ দ্বিতীয় প্ৰহৰত
শেঁতা জোনৰ তলত।
কুঁৱলী এজাকৰ ইপাৰে। নিয়ৰ টোপালৰ নিসংগতাৰ সতে।




এটা দুখৰ কবিতা আজিও তাইক
মই দিব পৰা নাই।
যেতিয়া গাঁৱৰ পুলত বহি নিসংগতাৰ সতে
উচুপি থকা যায়। তেতিয়া
লিখিব পৰা নাযায় এটা দুখৰ কবিতা তাইৰ বাবে
য'ত শ্ৰেণী সংগ্ৰামৰ কথাও নোসোমায় মনত।

বুকুৰ শূন্যতাখিনি হেঁচুকি হেঁচুকি
কিদৰে লিখো এটা দুখৰ কবিতা তাইৰ বাবে
সৰ্পিল গতিত বাঢ়ি আছে বুকুলে দুখৰ সৰীসৃপ
মোৰ অজানিতে।

কিদৰে লিখো এটা দুখৰ কবিতা তাইৰ বাবে।



## গতিময়তাত



দ্ৰুতগতিত গৈ থকা ৰেলখনৰ কাষেৰে
পাৰ হৈ যোৱা গছবোৰক
ধৰি ৰখাৰ সাধ্য তোমাৰো নাই
ঠিক মোৰ দৰে।

মই মোৰ পৰা যি গতিত আঁতৰিব ধৰিছো।
এদিন হাজাৰখন বিকলাংগ আশ্ৰমত জুই লাগিব।
প্ৰভাতী পখীৰ সুৰদী মাতত নাহাঁহিব
নবোদয় ৰঙা বেলিটোৱে। প্ৰতিপুৱা।

ঠিক তুমিও গৈ থাকা
সমানুপাতিক দুৰত্বত। ৰেলৰ চিৰিৰ দৰে।
যান্ত্ৰিক কোলাহলৰ বিস্ফোৰণত
জেপৰ সাঁচতীয়া মোৰ বিকলাংগ শব্দকেইটা হেৰাল
বাটৰ কাষৰ দুৰ্গন্ধময় পিতনিত।

সিঁহতে পিন্ধি আছিল তোমাৰ সোঁৱৰণিৰ
একোযোৰকৈ মলিয়ন পোছাক।
মইহীনতাৰ সুযোগ লৈ।

তুমি তোমাৰ বাটেৰে আৰু মই মোৰ বাটেৰে
গুচি যাওঁ। স্বতন্ত্ৰভাৱে।
কথা পাতিব নোৱাৰো দেশ আৰু মানুহৰ নিসংগতাৰ সতে
গতিময়তাত শেষ হওক আৱেগিক স্খলন।



## কৱিতা-১

কবিতা মোৰ স্বপ্নৰঙী সেউজ শলিতা
স্নিগ্ধময় জোনাকতো তিৰবিৰাই থাকে যি।

কবিতা মোৰ বিকলংগতা আৰু দৰিদ্ৰতাৰ আজন্ম সহচৰ
যাৰ লগত বিচ্ছেদৰ চিনাকী নাই কোনোদিন।

কবিতা তোমাৰ নিষ্পাপ শৰীৰত
মোৰ নিৰলস পয়াঁলগা শব্দৰ লুকাভাকু
ব্যৰ্থতাৰ আন্ধাৰত নিঃশেষপ্ৰায়
অনুভূতিহীন গান।

কবিতা য'ত উদ্ভাষিত হয় মোৰ
চেতন মনৰ নিৰ্ভিক শ্লগান
দেশ আৰু জনতাৰ গান।



## সাহসী মানুহজন

সাতামুপুৰুষীয়া সপোন এটাৰ পাছে পাছে
তেওঁ দৌৰিছিল যোৱা পাঁচটা দশকে
আৰু এতিয়াও।
দুবাহুত ঐতিহ্যৰ মেটমৰা বোজা
আৰু
দুভৰিত মানৱতাৰ ভাগৰুৱা গান তেওঁৰ।

আধুনিকতাৰ সৰ্পই কৰা দংশনত
কোঙা হোৱা তেওঁ এজন মাটিৰ মানুহ।

ভোক আৰু যন্ত্ৰণাত ককবকাই থকাসকলৰ
সমস্যাৰ সমাধানহীন সমস্যাৰ মাজত
জীয়াই থকা তেওঁ এজন
অসুখী মানুহ।

কৃত্ৰিমতাৰ প্ৰচণ্ড সমীৰণত পৰিৱৰ্তিত হয়
তেওঁৰ প্ৰাচীন কেশবিন্যাশ
তথাপিও
নিৰ্ভয়ে থিয় দি আগবাঢ়ি যোৱা
তেওঁ এজন সাহসী মানুহ।





## আশংকা

পুনৰ এবাৰ বুকু ভঙাৰ আশংকাত
মোৰ লালসাময়ী প্ৰগলভ মনটোক
জোৰেৰে চেপি ধৰিলো।
সুদূৰ দিগন্তত যে সৌৱা এখন দুখৰ
হেঙুল হাইতাল বুলীয়া আকাশ
আন্দোলিত ছন্দৰ লিপ্সা।

বুকুৰ অসমতল ধুসৰিত উপত্যকাত
এবুকু দ নদীৰ পানী যুঁৰলিত হেঁপাহৰ
দৰিকণাবোৰক ধৰি ৰাখিলো।

বুকুৱে বুকুৱে কথা পাতিব নোৱাৰাকৈ
হৃদয়ৰ পৰা হৃদয়লৈ গান বব নোৱাৰাকৈ
স্তব্ধ কৰিলো দুৰন্তবেগী নিৰ্লজ মনটোকো
সুদূৰত দেখো জননীৰ ৰিণিৰিণি কৰুণ মুখ।
ব্যৰ্থ জীৱনৰ বিস্মিত সংলাপ।

দৈনিক ৰুটিনৰ হিচাপ নিকাচখিনি
সালসলনি কৰি পুনৰ বাকি ল'লো
সাধনাৰ চাকিগছিত উচ্চাকাংক্ষাৰ তেল আৰু শলিতা।
উশৃংখল জীৱনৰ মৰ্মস্পশী মুখবোৰ
পাহৰিব পৰাকৈ আঁকি ললো মানসপটত
এখন কল্পনাৰ ভৱিষ্যত উজ্জল মুখৰ ছবি

স্থিতপ্রজ্ঞ বিবেকৰ কঠিন যুক্তিত হাৰিল নির্লজ মন।

শেষ বাৰৰ বাবে সবর্স্ব হেৰুওৱাৰ ভয়ত
আজুৰি আনিব নুখুজিলো
আকাংক্ষিত ভৱিষ্যতৰ নির্মম দুখ
জুয়ে পোৰা দুখ। বুকুৰ অসুখ।
ব্যৰ্থ জীৱনৰ নির্ভেজাল দলিল।





## তোমাৰ বাবে ৰৈ থাকে শেঁতা জোনটো

ইকতৰা পুলত ৰাতিৰ নির্জনতাত
কঁপি থাকে শেঁতা জোনটো।
তাৰ বিষন্নতাত কোনে বজায়
বিষাদৰ কৰুণ বাঁহী
হিমচেঁচা কুঁৰলীৰ সুমধুৰ আলিংগনত
আলোড়িত হয় প্রকৃতি তেতিয়া।

মানুহ বিচাৰি অহা এচাম মানুহৰ
বাবে ৰৈ থাকা তুমি ইকতৰা পুলত।
তোমাৰ গতিময়তাত তেওঁলোকে বিচাৰি পায়
জীৱনৰ সৌন্দর্য যৌৱনৰ মাধুর্য
আৰু
চেতন মনৰ অনাকাংক্ষিত লিপ্সা।

শেঁতা জোনটো বহি থাকে মৌনতাৰে
নিসংগতাৰে সতে পুলৰ একোণত
তোমাৰ বাবে
কঁপি কঁপি ভগ্ন হয় তাৰ শুভ্র
ঘূৰণীয়া আকৃতি।
তাৰ বিষাদময়তাত তৰাবোৰ উচুপে
চকুলোবোৰ সৰে কুঁৰলী হৈ
সেউজীয়া ধাননিৰ ওপৰত।




## কৃত্রিম মানৱ

আজিকালি কৃত্রিম মানুহবোৰৰ
হেঁচাথেলাত কৃত্রিম হৈ যাবৰ উপক্ৰম হৈছে
কৃত্রিম মানুহ,কৃত্রিম মুখা
কৃত্রিম মন, কৃত্রিম সহাঁৰি, কৃত্রিম ভাৱনা
সকলো মানুহৰ সকলোবোৰেই দেখোন কৃত্রিম।

জীয়াই থাকিব পৰাকৈ কোনোবাজন
যদি কাষত থাকিলহেতেন
এই কৃত্রিমতাৰ মাজত সোমাই যাব নোৱাৰাকৈ
সূৰ্যাস্তৰ হেলনীয়া বাটত
নপৰিল হয় কালিকাসনা দাগ।

এই কৃত্রিম মানৱ অৰণ্যৰ মাজত
কৃত্রিমতাৰে জীয়াই থকা ইমান সহজ নহয়
সহজ নহয় নিসংগ শূন্যতাৰ ক্ষণত
কৃত্রিমতাৰ সতে সহবাস কৰাৰ।



কৃত্রিমতাত জাহ যোৱা সকলোবোৰৰ মাজত
তুমিও হেৰাই নাযাবা
হেৰাই যাব নিদিবা তোমাৰ কোমল পৱিত্র
মনৰ তেজীঘোঁৰাক।

তোমাৰ বুকুৰ অকৃত্রিমতাত অলপ ঠাই দিয়া
মোক
জীয়াই থাকিব পৰাকৈ মইটোৰ দৰে।




## তোমাক ভাল নোপোৱা হ'লে ভাল আছিল

চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীৰ পাকত
উৰুৱাই দিব পৰা হ'লে ভাল আছিল মোৰ
বিষাদগধুৰ ভাগৰুৱা আবেলিটোক।


সুখী মানুহবোৰ ভিতুৰি দুখী হোৱাৰ দৰে
দুখী মানুহবোৰ ভিতৰি সুখী হোৱাৰ দৰে
মই সুখী হ'ব নোৱাৰিলো তোমাক লৈ
মোৰ সোঁৱৰণিৰ আঁচলত কঢ়িয়াই অনা
বুকুৰ ৰক্তজবাবোৰক সহজে ল'ব নোৱাৰিলে
উদাসী প্ৰগলভ নিষ্প্ৰভ মনটোৱে।

তুমিহীনতাৰ যন্ত্ৰণাবোৰে
বেপেৰুৱা কৰি পেলাইছে মোৰ
দৈনিক ৰুটিনখনক নিৰ্দয়ভাৱে।
এবটল মদ আৰু এপাকেট চিগাৰেটৰ সতে
প্ৰতিৰাতি সহবাস মোৰ এতিয়া।



মই মই হৈ থকাৰ সপোনটো
কেতিয়াবাই এৰি আহিলো
কোনোবা আন্ধাৰ কেঁকুৰিত।

## তোমাক ধুনীয়া দেখাইছিল সেইদিনা



স্বপ্নময় উপত্যকাৰ একাবেঁকা বুকুৰেদি
বৈ আহিছিল তোমাৰ
অনুভৱী খৰস্ৰোত জলধাৰ সেইদিনা।

বুকুৰ হেঁপেহুৱা সপোনবোৰ উন্মুক্ত ওলমি আছিল
তোমাৰ শ্বাস-প্ৰশ্বাসৰ আগলি কলপাতত।

তোমাৰ হাঁহিত সৰিছিল উন্মুক্ত ফাগুনে সৰাপাত হৈ
ৰঙা-চিঙা পৰিছিল কলেজৰ কৃষ্ণচূড়াবোৰ লাজতে।

তোমাৰ লাহী দেহৰ লয়লাস ভঙ্গীত
ডাৱৰবোৰে লুকাইছিল নীলিমাৰ কোনোবা একোণত।

তোমাক ধুনীয়া দেখাইছিল সেইদিনা সচাঁকৈ
বেদনাৰঙীন যন্ত্ৰণাবোৰ এৰি থৈ অহা বাবেই
বুকুৰ সিপাৰে কোনেও নজনাকৈ।



## সাম্প্ৰতিক

এজাক শান্ত সমীৰণৰ ৰিব ৰিব মলয়াৰ সতে
আজি ৰাতিপুৱা মই সূৰ্য প্ৰণাম কৰিলো

যোৰাৰাতি কোন মাতৃয়ে উচুপিলে
আধা ফুলা শেৱালিৰ সতে
কোনোৱে নাজানিলে।


বিষাদ গধুলিৰ চিকিমিকি সন্ধিয়াত আহিল
ভূমি হস্তান্তৰ কৰুণ বাৰ্তা।

ইফালে নৰিয়াত দেউতা
অৰ্থৰ অভাৱত তেওঁ এজন মৃত্যুমুখী নিসংগ যাত্ৰী

কালি আবেলি কপৌজাকে ভয়তে
সোমাই থাকিল কোনোবা বাঁহৰ মাজত।

কাৰণ

আকাশত এতিয়া
বিপন্ন সময়ৰ নিষ্ঠুৰতাত
কম্পমান চৌদিশৰ আকাশ বতাহ।



## এনেকৈয়ে

স্তব্ধ নদীৰ উশাহত
বিস্ফোৰিত হয় এজাক সমীৰণৰ
আহিনৰ প্ৰথমজাক কুঁৰলীত
ধোঁৱাবৰণীয়া হয় মোৰ
ভৱিষ্যতৰ স্বপ্নময় ঠিকনা।

উকা উধানতো চাগে
এতিয়া পৰি আছে অক্ষিযুগলৰ
উষ্ণ অশ্ৰু
অনাহাৰৰ নিদ্ৰাহীনতাত।






## নাঙলৰ সিৰলুত দুখৰীয়া আকাশৰ ছবি

ৰজনীগন্ধাৰ শেষহীন যুঁৰলিত
সেমেকা সন্ধিয়া এটাত
তেওঁ মোৰ কাষত আছিল
কিন্তু আজি তেওঁৰ চিতাৰ কাষত
মইজন নাই।

ধেনুভিৰীয়া নীলিম আকাশখনৰ কোনোবা
সীমনা এটাত বৈ এতিয়া
চাই থাকে মোৰ বিশৃংখলিত ভৱিষ্যতহীন
ভৱিষ্যত এটাৰ নিৰুদিগ্ন জীৱনটোলৈ
নিথৰ হৈ।

তেওঁহীনতাত কিদৰে উদযাপন কৰো
মোৰ বিপন্নপ্ৰায় যন্ত্ৰণাবিলাসী জীৱনটো
নাঙলৰ সিৰলুত দুখৰীয়া আকাশৰ
ছবি চোৱাৰ দিন
আৰু নাই মোৰ এতিয়া।




## কবিতা - ২

পেন্দুকনা সপোন এটা এই মাত্ৰ
আপোনাক দি যাওঁ বুলি ভাবিলো
জাৰজ ভৱিষ্যতহীন এটা নষ্ট সপোন সি।

তাৰ ভৱিষ্যতটো আপোনাৰ হাতত যদি
গতাই দিওঁ
একো অসুবিধা নহয়তো
সিবিহীনভাৱে মই উদযাপন কৰিম
প্ৰতি নিয়ৰত দুখৰ একোটা ৰৌদ্ৰোজ্বল পুৰা।


দেউতা বহি আছে সৌ তাত
আৰু মই বহি আছো ইয়াত
নাজানো  কোনজনে
আগতে হুমুনিয়াহটো কাঢ়ে।





## তেওঁ যোৱা বাটেৰে

তেওঁ যাওঁ বুলি সচাঁকৈ যোৱা নাছিল
তেওঁৰ মুকবধিৰ ৰজনীগন্ধাৰ শেষ নিশাৰ শয্যাত
আমি তেওঁক হেৰুৱালো বুলি ভাবিছিলো।



যিবোৰ কথা কল্পনাৰো অগোচৰ আছিল
সেইবোৰেই শেষকৃত্যত নিঃশেষ কৰিছিল
অনেক যন্ত্ৰণাবিলাসী ঘিউৰঙী সপোনবোৰক।

যিজোপা বোধিদ্ৰুমৰ তলত জিৰাই
শব্দৰ মালা গাঁঠিছিল অনেকে
যাৰ সান্নিধ্যত সপোনৰ ঘোঁৰা দৌৰিছিল বহুতৰ
ৰৌদ্ৰোজ্বল তামৰঙী পৃথিৱীত
তেঁৱেই
তেঁৱেই এতিয়া আমাৰ মাজত
আন্তঃসাৰ শূন্য অস্তিত্বহীন অদৃশ্য সমীৰণ।

তেওঁৰ কবিতাৰ প্ৰতিটো শব্দত
বিস্ফোৰিত হৈছিল
দেশ, মানুহ আৰু সেমেকা কেঁচা মাটিৰ গোন্ধ
চিন্তা আৰু ভাৱনাৰ লেলিহান শিখাই চুইছিল
অস্থিৰময় অসুখী পৃথিৱীৰ ছাঁইবৰণীয়া আকাশ। আৰু
সেউজীয়াৰ পৰা সোণবৰণীয়া হোৱা প্ৰশান্তিময় পথাৰ

কেইমাহমান আগতে যিখন পথাৰ হৈ পৰিছিল
বুকুৰ ভিতৰে বাহিৰে পলসুৱা।

তেওঁ আহিব খোজে সংগোপনে শৰতৰ মায়াময় ৰাতি
বাৰিষাৰ উৰুখা পঁজা আৰু শীতৰ সেমেকা সন্ধ্যাৰ
নিয়ৰৰ টোপালত
এটা অজুহাত পালেই মই গুচি যাব পাৰো বুলি ক'বলৈ।

পিতাইয়ে চিপচিপীয়া বৰষুণত তিতি
পথাৰত হাল বাই থাকোতে
তেওঁ এই বাটেৰে যোৱা দেখিছিলো
ঠিক এই বাটেৰে
গানৰ মাজৰ গান এটাৰ সুৰ হৈ
কবিতাৰ মাজৰ কবিতা এটাৰ শব্দৰ দুবোর্ধতাৰ সতে।
উভতনিত মোক বাটৰুৱাবোৰে
ভ্ৰম হোৱা বুলি কৈছিল।

তেওঁ আমাক বাট বুলাইছিল
সাধাৰণ কথা আৰু ভাৱনাবোৰকে
কবিতাৰ পোছাক পিন্ধাই
ভোগবিহীন প্ৰশান্তিময় চিৰসেউজ এখন শুভ পৃথিৱীলৈ।



## অনুভৱৰ এটা মিঠা সপোনৰ

মোৰ প্ৰগলভ মনটোৰ ওপৰৰ পাঁচ আঙুল দৈৰ্ঘ্যৰ ডিঙিত
ওলমি আছিল
এহাত দীঘল এটা এঙাৰ ৰঙী সপোনৰ।

কামনাৰ ইন্দ্ৰজালত বন্দী কৰি ৰাখিলো
মোৰ এডিঙি হেঁপাহক।
আৰু সিহঁতৰ ভোক আৰু যন্ত্ৰণাই শৰবিদ্ধ কৰা দেহাটোত
এতিয়া
ক্ষুধাতুৰ আৰ্তনাদত নিষ্প্ৰভ প্ৰাণ।

যৌৱনৰ পাখি লগা কঁহুৱা তুলা হৈ উৰা
অৱচেতন মনটোত এতিয়া
হেঁপাহৰ মুঠি মুঠি জোনাকৰ সোণসেৰীয়া বৰষুণ।

বিশ্বাসৰ সেউজ নদীৰ পাৰত
বালিভাত আয়োজন
অনুভৱৰ।



## পলৰীয়া সপোন এটাৰ পম খেদি

দৈনন্দিন ৰুটিনৰ প্ৰায়খিনি সময়ৰ বিধ্বস্ততা
তোমাৰ গণ্ডগোলীয়া মূৰৰ আপেক্ষিক কাৰণ হৈ উঠে।
ৰক্ত প্ৰৱাহিত প্ৰতিডাল সিৰা উপসিৰাত
বিষ্ফোৰিত হয় পাশৱিক ক্ষুধাবোৰ।

বিবেকৰ কঠিন জৰায়ুত উন্মুক্ত হৈ উঠে
বিচ্ছেদৰ পয়ালগা হেঁপেহুৱা সপোনৰ
দিনে দিনে।

তোমাৰ বাবেই সলনি হয় মোৰ
জীৱনৰ বীজগাণিতিক হিচাপবোৰ সঘনে
মন আৰু বিবেকৰ তুমুল সংঘৰ্ষত বিধ্বস্ত হয়
মোৰ জীৱনৰ সৰ্পিল গতিপথ স্বয়ক্ৰিয়ভাৱে।

শৰবিদ্ধ পশুৰ যন্ত্ৰণা দায়ক মুহূৰ্তৰ দৰেই
কোঙা হৈ পৰি ৰয় কোনোবা অমানিশা ৰাতিৰ এচুকত
বেদনাৰঙীন আন্ধাৰবোৰ ফালি ফালি
পলৰীয়া সপোন এটাৰ পম খেদি খেদি।

তুমি খুজিছা কাৰণে
মোৰ দেহৰ এবাতি উত্তপ্ত তেজ আৰু দুটোপালমান
নিমখীয়া চকুপানী দিব লৈছো
সোৱাদ লগা হ'ব তোমাৰ বাবে।



## পুৰতি তৰাটো অহা বাটেৰে


পুৰতি তৰাটো অহা বাটেৰে তেওঁ আহে
প্ৰতিটো সম্ভাৱনাময় সেউজ পুৱাত
অৰুণোদয়ৰ লগে লগে
তেওঁৰো যাত্ৰা আৰম্ভ হয়
অলিখিত বিশৃংখলিত দৈনিক ৰুটিনত।
অনাকাংক্ষিত বাটেৰে।

প্ৰতি সন্ধিয়া তেওঁ উভতি আহে
ঘৰমুৱা স্বাধীন পক্ষীজাকৰ সতে
উভতি আহি তেওঁ কথা পাতে
সন্ধ্যা তৰাটোৰ সতে দেশ আৰু মানুহৰ।

তেওঁ নিবিচাৰে ৰাতিৰ জোনাক
কাৰণ
জোনাকত নষ্ট সময়বোৰ
কলংকিত হয় মানৰ পশুৰ কঠিন হাতৰ চেপাত।

পুৰতি তৰাটোৰ বাটেদি তেওঁ পুনৰ গুচি যায়
সূৰ্যোদয়ৰ নতুন পথেৰে
ভৱিষ্যতহীন ভৱিষ্যত এটাৰ
দিক বিদিক হেৰুৱাই।





## তোমাৰ খবৰহীনতাত

পৃথিৱীৰ সতে শাওণৰ শেষজাক বৰষুণৰ
অন্তিম আলিংগনত
বন্ধ কোঠাৰ স্তব্ধ উশাহৰ সতে
তুমি জানানে
কেনেদৰে আছিলো মই
তোমাৰ খবৰহীনতাৰ গৰাখহনীয়াত
আৰু এটা সৰল অজুহাতত মই
লোতোক বোৱাব পাৰিম অক্ষিযুগলৰ পৰা
বৰষি শেষ হওক
হৃদয়ৰ সমস্ত দুখ। তোমাৰ নামত অসুখ।

মদ খাই মাতাল হ'ব নোৱাৰাৰ
দীনতাত আছো বাবেই
পাহৰিব পৰা নাই তোমাক মাথো
এটা দিনৰ বাবে
পিছৰ দিনা লগ পাম তোমাক পুনৰ
ফুল আৰু তৰাৰ স'তে
হৃদয়ৰ হাবিতলীয়া বাটত।


মোৰ প্ৰগলভ মনৰ উচপিচনিত
নিঃশেষ হয় সমস্ত সত্বা।
বাসনাৰ ইন্দ্ৰজালত মেৰপাক খোৱা
মোৰ নিৰ্লজ মনে
বাৰে বাৰে বাট বুলিব বিচাৰে



কল্পনাৰ সেন্দুৰৰঙী বাটত তোমাৰ সতে।

পুনৰ ডুব যায় মোৰ
দুৰন্ত বেগী উন্মনা মন
অস্থিৰময় ক্ষণৰ চাকনৈয়াত।

মই ডাণ্টে নহয়, নহয় তুমিও বিয়েট্ৰিছ
সেই বাবেই হয়তো ইমান আকুলতা
তোমাৰ মোৰ দুৰত্বতাত।



## পথাৰৰ দুখত

শাওণৰ দোপালপিতা বৰষুণৰ পিছত
ৰ'দজাকৰ দৰে
সুগন্ধি পখিলা সোৱাদ পোৱাৰ পিছত
গগনচুম্বী মনটোৱে আৰু বিচৰাৰ দৰে
বহুদিনৰ বিৰতিৰ মুৰত চকুৰ তললৈ
জুই যোৱাৰ আনন্দৰ দৰে
তুমি অহা হ'লে।

তুমি অহা হ'লে
দুপৰ নিশা শিতানৰ গাৰুটো
কমকৈ তিতিলহেতেন
পথাৰৰ দুখত।

নিৰ্লজ শগুণবোৰৰ দৰে
তুমি নাহিবা
যিয়ে চুহি চুহি খায় বুকুৰ তেজ
কলিজাৰ মঙহ কেঁচাই কেঁচাই।





## অব্যক্ত

তোমাৰ সুকোমল গুলপীয়া দুগালত
বৈ পৰা অলকা কেইডালৰ আগত
ওলমি থাকিব পৰা হ'লে ভাল আছিল
এটোপাল হিমচেঁচা আশাৰ পানী হৈ
অপমৃত্যুৰ ক্ষণ গণি গণি।

সম্পৰ্কবোৰ গাঢ়ৰ পৰা গাঢ়তৰ হৈ যোৱাৰ পৰত
সন্ধ্যা তৰাটো তোমাৰ লাজতে লুকাল।
কাহিলি পুৱাত পুৱতি তৰাটোও
টিমিক ঢামাককৈ জ্বলি থাকিল
মোৰ হেঙুল হাইতাল বুলীয়া মন আকাশৰ এচুকত
তোমাৰ মোৰ ভালপোৱাক নমস্কাৰ জনাই।



## তুমি এবাৰ ভালপাওঁ বুলি ক'লে

তোমাৰ মৌকোমল শাব্দিক অনুভূতিবোৰে
মোৰ কৰ্ণ-কুহৰত
ঝংকাৰিত কৰে ভালপোৱাৰ অন্যন্য সুৰ
তুমি মোৰ
তুমি মোৰ, কেৱল মোৰ।

মোৰ ইপ্সিত লিপ্সাৰ লেলিহান শিখাই
চুই যাব খোজে তোমাৰ
আকাশলংঘী সপোনজাকক।
শুক্লপক্ষৰ নিশাৰ দ্বিতীয় প্ৰহৰত মই ডুব যাওঁ
তোমাৰ ভাৱনাত। নিদ্ৰা দেৱী পলাই
সপোনৰ সমীহত।


তুমি এবাৰ ভালপাওঁ বুলি ক'লে
মোৰ মন আকাশত
স্বপ্নৰ জোন ওলমে
আশাৰ সেউজীয়া পথাৰখনত
হেঁপাহৰ ধানবোৰ বাঢ়ে লাহে লাহে।

তুমি এবাৰ ভালপাওঁ বুলি ক'লে
পৃথিৱীৰ সমস্ত সুখে আহি
মোৰ চৌপাশে ধৰা দিয়েহি ।



প্ৰাণচঞ্চল ভাৱনাবোৰে সপোন হৈ উৰে
মোৰ মন গহনত।

সলনি হয় দৈনিক দিনলিপি
প্ৰাণ পাই উঠে নিৰস কলমটো
মাথো তুমি এবাৰ ভালপাওঁ বুলি ক'লে।



## তোমাৰ দুচকুৰ নীলাত


তোমাৰ দুচকুৰ নীলাৰ পৰা কাঢ়ি আনিব খোজো
পাঁচ চামুচ ভালপোৱাৰ অমৃত
বছৰৰ পিছত দশক, দশকৰ পিছত শতিকা
শতিকাৰ পিছত এটা যুগ আৰু
এটা যুগৰ পিছত যুগান্তৰলৈ তোমাৰ হৈ থাকিব পৰাকৈ।

তোমাৰ দুচকুৰ নীলাত আঁকিব খোজো
এটা সেউজীয়া নক্ষত্ৰ।
যাৰ টিমিক ঢামাক পোহৰত
মুকলি হয় তমসাচ্ছন্ন জীৱন বাট।

তোমাৰ দুচকুৰ নীলাত মই বিচাৰি পাওঁ
মোৰ জীৱনৰ হেৰুৱা ছন্দ।
বিশৃংখল দৈনিক ৰুটিনখন আহি
ঠিক কৰি দিয়েহি
তোমাৰ প্ৰাণময় ভাৱনাবোৰে।

তোমাৰ দুচকুৰ নীলাত ভৰ থৈ
মোৰ অক্ষিযুগল
ফাগুনৰ সৰাপাতত জীৱনৰ ঠিকনা এৰি
লিখিব খোজো বসন্তৰ প্ৰথমটো কবিতা।

তোমাৰ দুচকুৰ নীলাৰ পৰাই আৰম্ভ হওক
হাজাৰটা সংগ্ৰামী কবিতা।






## প্ৰগলভ প্ৰাকক্ষণত

যাৰ একোটা শব্দত
সলনি হৈছিল তেওঁৰ জীৱনৰ ছন্দ
কিদৰে অৱমাননা কৰা যায় তেওঁক
বকুলৰ হিমচেঁচা গধুলিৰ
প্ৰগলভ প্ৰাকক্ষণত।

মমৰ শিখাৰ উষ্ণতাত যিদৰে গলে
বুকুৰ শূণ্যতাখিনি
ঠিক সেইদৰে
ঠিক সেইদৰে
তেওঁৰ উকা সেওঁতাৰে নামি আহে
সুৰুযৰ ৰক্তাক্ত নৈখন।

যাৰ ভৰিৰ কোমল গতিশীলতাত
শূন্য দুহাতত গজি উঠিছিল শব্দৰ কোমল বন
অনুভূতিৰ সেউজ উপত্যকাত
সোঁৱৰণিৰ আদিপাঠ পঢ়ে কৰুণ কেতেকীয়ে
প্ৰত্যাহ্বান কৰা নাযায় তেওঁক।

কিদৰে পাহৰা যায় তেওঁক
সোঁৱৰণিৰ কোমল কঁহুৱা বনৰ সিটো পাৰে
থিয় হৈ।



## তোমাৰ অনুপস্থিতিত

মোৰ অৱচেতন মনৰ গোপনীয়তাখিনিক
আগচি ধৰিলেহি
মকৰ সংক্ৰান্তিৰ প্ৰথমজাক
হেঁপেহুৱা কুৱলীয়ে।

বিষন্নতাৰ পানী যুঁৱলিত পাৰ হ'ল
আৰু এটা
বিচ্ছেদৰ কালিকা লগা নিশা যোৱাৰাতি।

বিচ্ছেদৰ নদীৰ সিটো পাৰত
থিয় দি আছা তুমি
অক্ষিযুগলে মনিব নোৱাৰা
এটা আধৰুৱা সপোন হৈ।

ভগ্নস্তূপ বালিঘৰত এতিয়া
দুখৰ নিচান উৰুৱাই
হুমুনিয়াহবোৰ বৰষিছে
ৰক্তপুষ্প হৈ মোৰ বুকুলে।






## তোমাৰ অবুজনত

তোমাৰ অবিন্যস্ত ক'লা চুলিৰ আঁৰত
মোৰ নিৰ্লজ ফাগুনৰ চঞ্চল বতাহজাক
তাতে তোমাৰ নিষ্ঠুৰ হাতোৰাৰ কঠিন চেঁপাত
বিস্ফোৰিত মোৰ ধাতৰ শব্দবোৰ।

তোমাৰ অন্যমনস্কতাত বেপেৰুৱা হৈ উঠে
মোৰ হেঙুল বুলীয়া নীলিমাৰ সীমনাত
বেদনাৰঙীন আশাবোৰ।

আৰু প্ৰতি ৰাতি মই
প্ৰসৱ যন্ত্ৰণাত উচপিচাই ফুৰো
এটি অলংকাৰহীন নিৰস ভাৱহীন নিশকতীয়া
কবিতাৰ জন্মৰ বাবে।

তোমাৰ অবুজনত বাৰিষাৰ নদীৰ সুঁতিৰ দৰে
সলনি হয় মোৰ
দৈনিক ৰুটিনখন স্বয়ক্ৰিয়ভাৱে।



## অসহজবোৰৰ দৰেই

ভবাবোৰ ইমান সহজ নহয় বাবেই
ইমান সহজ নহয় অসহজ কঠিনবোৰ।

বিদীৰ্ণ ৰূপ ধাৰণ কৰে
ফাকুগুৰিৰ মিশ্ৰিত ৰংবোৰে

মন আকাশৰ কোনোবা সীমনাত
তোমাৰ অস্থিৰতাত অসহজবোৰৰ দৰেই।

নভবাবোৰ সহজ হৈ উঠে তোমাৰ দৰে
ভবাবোৰ সহজ নোহোৱা দৰে মোৰ নিচিনাকৈ।

মই ভবাবোৰ তোমাৰ অসহজ হৈ পৰে বাবেই
অসহজ হৈ পৰো তোমাৰ বাবে।

সহজকৈ অসহজ যন্ত্ৰণাত তোমাৰ বাবে
জীয়াই থাকিব খুজিও নোৱাৰো
তোমাৰ উপস্থিতিতো তুমিহীনতাৰ যন্ত্ৰণাই
খেদি ফুৰে ছাঁৰ দৰে।

জননীৰ বিষাদ মদিৰাত
মোৰ কলুষিত অৱচেতন মন
জননীহীনতাৰ অসহজবোৰৰ দৰেই।





## পৰৱৰ্তী সময় হ'ব দুঃসময়

চেঁচা বতাহ এজাকে মোক
পুৱতি নিশা কোবাই গ'ল দেহে মনে।
বাহিৰৰ হিমচেঁচা কুঁৱলীৰ সিটো পাৰে
এখন যুদ্ধৰ আখৰা চলি আছে
পখীৰ কাকলি সুৱদি মাতো তেতিয়া
নাই। নিস্তব্ধ প্ৰহৰ।

এই নিৰ্মল স্বচ্ছ ৰাতিপুৱাটো যদি
এনেদৰেই থাকিলহেতেন
নচলিলহেতেন যুদ্ধৰ আখৰাও
দেশ বিভাজনৰ পূৰ্ণ প্ৰস্তুতিৰ।

পৰৱৰ্তী সময়বোৰ হ'ব দুঃসময়
স্বকীয়তা হেৰাব দেশ, মানুহ আৰু মাটিৰ।
অস্তিত্বহীন দিশে গতি এতিয়া
দেশৰ পংকিল সময়।

জুই। জুই জ্বলিছে জুই।
চৌদিশে সংঘৰ্ষৰ জুই।
পুৰি নিশেষ হ'বলৈ বাকী মাথো
অৱশিষ্টখিনি নিজৰ।

পৰৱৰ্তী সময়খিনি হ'ব দুঃসময়।



## আকাশৰ হেলনীয়াত অশ্ৰুৰ বাট

চকুপানীৰে কৰাল বন্ধা শুষ্ক দুগালত
এতিয়া
বিপৰ্যয়ৰ ছাঁইৰঙী অস্তাকাশ।
থেলি হেঁচি ভঙা বেৰৰ জলঙাৰে
সোমাই আহে
অস্থিৰময় ধৰাৰ ৰান্ধনী বেলিৰ পোহৰৰ ঠিকনা।

সেউজীয়া পথাৰখন পাৰ হৈ নাতিদুৰত
পাহাৰৰ ওখ টিলা এটা পাৰ হৈ
আকাশৰ নীলাকৈ এটা হেলনীয়া বাট।
ৰামধেনুৰ ভাঁজেই যেন ভাঁজ হৈ
এই পথৰ সেউজ দলিচাৰ বাট।

এই বাটৰ হেলনীয়াৰ নিশব্দে বয়
অক্ষিযুগলৰ পৰা
সংঘৰ্ষত নিহতসকলৰ উষ্ণ অশ্ৰু।

আকাশৰ হেলনীয়াত অশ্ৰুৰ বাট
এতিয়া।





## ভৱিষ্যত

কলাত্মক সাপ এটাৰ
বিষাক্ত জিভাৰ আগত
মোৰ ভৱিষ্যত
কোনে জানে
কেতিয়া স্তব্ধ হয় জীৱন।




## হাজাৰ হ'লেও সি মোৰ নিজৰ

হাজাৰ হ'লেও সি মোৰ নিজৰ
তাৰ বেয়াটো ভাবিব নোৱাৰো মই
তাৰ নিস্তেজ মন আকাশত এতিয়া কাল শগুণ উৰে
মৰিশালিত নিস্তব্ধ সময়ৰ পুতলা।

সি মোৰ বুলি ভাবিবলৈ ভয় লাগিলেও
সি মোৰ সদায় নিজৰ
তাৰ হিল্লোল সপোনৰ পংকিল বাটেদি মই গুচি যাওঁ
আহিনৰ কোমল ৰ'দজাকৰ ছাঁ লৈ লৈ।

তাৰ অনিশ্চয়তাত বসন্তৰ মাজনিশা
কেতেকীয়ে বিননি জুৰে।
হিলদল ভাঙি সোমাই আহে
অস্তাচলত বেলি ডুব যোৱাৰ বাটেৰে
যমদূত তাৰ ফালে।



মোৰ বিপ্লৱৰ তেজ তাৰ গাত আছে
মোৰ বিবেকৰ কঠিন সিদ্ধান্তৰ দৰে
তাৰো আছে স্থিতপ্রজ্ঞতা
বিপৰ্যয়ত উৰলি যোৱা উৰুখা পঁজা এটা
তাৰো আছে মোৰ দৰে

দুখ,
হাজাৰ হলেও সি মোৰ একান্তই নিজৰ।




## অনুভৱী হৃদয়ৰ পাৰত এখন্তেক

স্নিগ্ধ জ্যোৎস্নাৰ নিৰ্মল সমীৰণত অনুভৱ কৰো তোমাক।
কুলু কুলু ধ্বনিৰে চঞ্চলা জুৰিটিৰ দৰে
নামি আহে
মৰমৰ খৰস্রোতা ধল।

অনুভৱৰ শিৰাই শিৰাই দেহৰ ৰন্ধ্রে ৰন্ধ্রে
প্রতিধ্বনিত হয় মাথো
বীণৰ ঝংকাৰসদৃশ তোমাৰ মৌ-কোমল মাত

তোমাৰ ভালপোৱাৰ ধাৰাসাৰ বৃষ্টিত
জীপাল হৈ উঠে
মোৰ আশাৰ সেউজীয়া পথাৰখন

লহপহকৈ বাঢ়ি আহে
হেঁপাহৰ সেউজীয়া ধান।




## কৃত্ৰিম মানুহবোৰৰ পৰা অনুগ্ৰহ কৰি আঁতৰি থাকিব

তেওঁলোকে আপোনাৰ দৰেই
হাঁহিব মাতিব, দুখত চকুলো টুকিব
যদি লগ পাই ৰাস্তাত
পাৰ্ক, ৰেষ্টুৰাত নাইবা আন কৰবাত
কুশল সংবাদ সুধিব
-কেনে আছে, ভালনে?
সৌজন্যতাৰ খাতিৰত জীয়াই থকাৰ বাবে প্ৰয়োজনীয়
হাঁহিটো মাৰিব একোণত
তাৰ পাছত তেওঁৰ পথে তেওঁ
আৰু আপোনাৰ পথে আপুনি

সেই মানুহবোৰৰ অন্তঃসত্বা আৰু বহিঃসত্বাৰ
মাজত আকাশ পাতাল তফাৎ আছে
তফাৎ আছে মুখৰ কৃত্ৰিম হাঁহিটোৰ লগত
নিৰ্জীৱ কঠিন মনটোৰ
যদিও তেওঁৰ সংস্পৰ্শলৈ আহে আপুনি
জীৱনৰ কোনো চাকনৈয়াত পৰি
তেতিয়াও আপোনাক সম্ভাষণ জনাব উষ্মভাৱে
আপ্যায়ন কৰিব সুন্দৰভাৱে
কিন্তু তেওঁ নুখুলে কেতিয়াও
তেওঁৰ বন্ধ হৃদয় কোঠাৰ
গুপ্ত চন্দুকত ৰাখি থোৱা সাঁচতীয়া দুখবোৰ





আপুনি তেওঁৰ লগত একেলগে খাব পাৰে
শুব পাৰে নতুবা
দুপেগ ৰঙীন পানীয়ত ডুব যাব পাৰে
শৰতৰ কোনো এক মায়াময় সন্ধিয়াত
তথাপিও আপুনি নাপায়
তেওঁৰ মনৰ উমান
আপেনাৰ ব্যৰ্থ চেষ্টাক ভেঙুচালি কৰি
তেওঁ গাব সফলতাৰ জয়গান
আপোনাক ব্যৱহাৰ কৰি।

আপুনি সেইবোৰ মানুহৰ ওচৰলৈ
নাযাব আনুগ্ৰহ কৰি
যিবোৰ মানুহৰ দেহৰ মাংসৰ প্ৰতিটো
কোষত কৃত্ৰিমতা
তেজৰ প্ৰতিটো টোপালত কৃত্ৰিম সূৰ্যৰ আস্ফালন
সেই মানুহবোৰৰ পৰা
আপুনি একো আশা নকৰিব

আপোনাৰ উন্নতিৰ জখলাডাল
খামটি দাৰে ঘপিয়াই কাটিব বিচাৰিব
সুযোগ পালেই তেওঁ
আপোনাৰ উচ্চাকাংক্ষা চিন্তা চেতনাবোৰক
ভৰিৰে মোহাৰি মাটিত বিলীন কৰিব তেওঁলোকে
আপোনাৰ উন্নতিত জ্বলি পুৰি মৰিব

তেওঁলোকে
সূৰ্যাস্তৰ পিছত আপোনাক আমন্ত্ৰণ জনাব
আপোনাৰ ধ্বংসযজ্ঞৰ অভিসন্ধি কৰিবলৈ।

কৃত্ৰিমতাত যাহ যোৱা এইচাম মানুহৰ পৰা
আপুনি আঁতৰি থাকিব অনুগ্ৰহ কৰি

বিচাৰি উলিওৱাত অৱশ্যে অলপ কষ্ট কৰিব
আপোনাৰ দৰেই হয়তো পাচলিৰ মোনা এটা লৈ
বজাৰৰ বস্তুৰ দৰ দাম কৰিব
বাছত ট্ৰেইনত, কোনোবা কবিতাৰ সভাত
বিহুতলিত
য'তে ত'তে লগ পাব তেওঁক।


সেইবোৰ মানুহৰ পৰা অনুগ্ৰহ কৰি
আঁতৰি থাকিব আপুনি।



## তুমি মোৰ বুকুতে শুই পৰা

মোৰ বুকুতে শুই পৰা তুমি
দুখবোৰে সাৰ পাই উঠিব নোৱাৰাকৈ
এই পৃথিৱীৰ নিসংগতাত।
হেৰাই যাব নোৱাৰাকৈ
সংগ দিয়া মোক বুকুৰ সেমেকা গধূলিত।

মোৰ বুকুতে শুই পৰা তুমি
খেপিয়াই খেপিয়াই জীৱনৰ অস্তিত্বহীন বাট
মই মোৰ হৈ থাকিব বিচৰাত সাহস দিয়া তুমি
তোমাৰ আকুলতাত জন্ম হ'ব দিয়া
মোৰ কলমৰ আগত
হাজাৰটা সংগ্ৰামী কবিতা।



দেউতাৰ চাইকেলৰ কেৰিয়াত লাট মাৰি উঠোতে
গাঁৱৰ ধূলিয়ৰি বাটৰ সোণালী শৈশৱৰ নষ্টালজিয়া
বহুকালৰ পুৰণি এতিয়া।
হ'লেও
তুমি মোৰ বুকুতে শুই পৰা
প্ৰকৃতিৰ চিৰসেউজীয়াৰ দৰেই।

শৰতৰ শীতলময়তাৰ আশাবোৰৰ দৰেই
তুমি মোৰ বুকুতে শুই পৰা।